**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 10-12-2025** **Time : 1800 Hrs**

***Assamese Evening Bulletin***
***Headlines***

**----------------------------**

oooooo

১। অসম আন্দোলনত প্ৰাণ আহুতি দিয়া ছহিদক সুঁৱৰি ৰাজ্যজুৰি ছহিদ দিৱস পালন। গুৱাহাটীৰ বৰাগাঁৱত নিৰ্মিত ছহিদ স্মাৰক মুকলি।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ অসম আন্দোলনৰ ছহিদলৈ শ্ৰদ্ধাঞ্জলি।

৩। ডিব্ৰুগড়ৰ মোহনবাৰী বায়ুসেনা ঘাটিত এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিঙৰ উপস্থিতিত বিজয় দিৱসৰ কাৰ্যসূচী।

আৰু

৪। নাগালেণ্ডৰ কিছামা গাঁৱত অনুষ্ঠিত হৰ্ণবিল মহোৎসৱৰ আজি সামৰণি।

oooooo

ঐতিহাসিক অসম আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদৰ স্মৃতিত শ্ৰদ্ধা জনাই আজি ৰাজ্যজুৰি শ্বহীদ দিৱস পালন কৰা হয়। অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ এই আন্দোলনত অংশ লৈ জীৱন হেৰুওৱা আৰু কাললৈ ঘূণীয়া হোৱা ৮ শতাধিক লোকৰ ত্যাগ প্ৰতি শ্ৰদ্ধা জনাই এই দিৱস পালন কৰা হয়। ১৯৮৫ চনত অসম চুক্তি স্বাক্ষৰিত হোৱাৰ লগে লগে অসম আন্দোলনৰ পৰিসমাপ্তি ঘটিছিল যদিও অসম আন্দোলনৰ ছহিদসকলে প্ৰাপ্য স্বীকৃতিৰ পৰা বঞ্চিত হৈছিল। শেহতীয়াকৈ অসম চৰকাৰৰ উদ্যোগত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰকৃত সংখ্যা নিৰূপণ কৰা হ'ল আৰু তেওঁলোকৰ তথ্য প্ৰণালীবদ্ধভাৱে সংৰক্ষণ কৰা হ'ল। এই প্ৰয়াসৰ অংশ হিচাপে গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত শ্বহীদ স্মাৰক ক্ষেত্ৰ নিৰ্মাণ কৰি মুঠ ৮৬০ গৰাকী ছহিদৰ বহুসংখ্যকৰে প্ৰতিচ্ছবি সংৰক্ষণ কৰা হৈছে আৰু তেওঁলোকৰ আত্মবলিদানৰ বিষয়ে খোদিত কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম বৰাগাঁৱত নিৰ্মিত এই শ্বহীদ স্মাৰক ক্ষেত্ৰ উদ্বোধন কৰে। তেওঁ লগতে স্মাৰক ক্ষেত্ৰত থকা শ্বহীদ প্ৰণাম জ্যোতিত অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মবলিদান দিয়া মহান শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। অসম আন্দোলনৰ ৮৬০ গৰাকী জাতীয় শ্বহীদৰ স্মৃতিত ১৭০ কোটি টকা ব্যয়েৰে ১৫০ বিঘাৰো অধিক ভূমি সামৰি এই স্মাৰক ক্ষেত্ৰ আৰু শ্বহীদ স্তম্ভ সাজি উলিওৱা হৈছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে অসমৰ অস্তিত্ব সুৰক্ষাৰ অগ্ৰগামী যাত্ৰাৰ সেনানীসকলক স্মৰণ কৰি তেওঁলোকে দেখা সপোন ৰাজ্য চৰকাৰে পূৰণ কৰিবলৈ প্ৰয়াস কৰিছে বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে নিজৰ জাতি, মাটি আৰু ভেটি ৰক্ষাৰ বাবে ৰাজ্যখনৰ সকলো খিলঞ্জীয়া লোকক সজাগ সচেতন হ'বলৈ আহ্বান জনায়। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে ছহিদ স্মাৰক উদ্বোধন সন্দৰ্ভত এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

বাইট

অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশ লৈ দিয়া ভাষণত অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে এই স্মাৰক নিৰ্মানে ছহিদসকলৰ ত্যাগৰ প্ৰতি যথোচিত শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে আন্দোলন কৰি নিজৰ জীৱন পৰ্যন্ত ত্যাগ কৰা ছহিদসকলৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে বুলি তেঁও উল্লেখ কৰে।

বাইট

অনুষ্ঠানত অসম চুক্তি ৰূপায়ন মন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্ত আৰু বন মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ ঠায়ে ঠায়ে অসম আন্দোলনৰ ৮৬০গৰাকী শ্বহীদক স্মৰণ কৰি আজি শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সন্থাৰ ব্যৱস্থাপনাত আজি কলিয়াবৰৰ কুঁৱৰীটোলৰ গান্ধী খেলপথাৰত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় ছহিদ দিৱসৰ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অসম গণ পৰিষদে আজি অসম আন্দোলনৰ ছহিদসকলক সুঁৱৰি দলটোৰ মুখ্য কাৰ্যালয়ত ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰে। এই অনুষ্ঠানত দলটোৰ সাধাৰণ সম্পাদক ডাঃ কমলা কান্ত কলিতা, মনোজ শইকীয়া, উপ-সভাপতি অপূৰ্ব ভট্টাচাৰ্য আদিয়ে অংশগ্ৰহণ কৰি ছহিদসকলক স্মৰণ কৰে।

শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত বৰ্ডিং খেলপথাৰত ছহিদ দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়। মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত এই কাৰ্যসূচীত কেইবাগৰাকীও ছহিদৰ পৰিয়ালক সম্বৰ্দ্ধনা জনোৱা হয়। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত চৌকিদিঙি খেলপথাৰত ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰে। কাছাৰ জিলাতো আজি অসম আন্দোলনৰ ছহিদসকলক সুঁৱৰি ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। একেদৰে বিশ্বনাথ জিলা প্ৰশাসনৰ উদ্যোগত কাছাৰী ময়দানত অসম আন্দোলনৰ ৮৬০গৰাকী ছহিদক স্মৰণ কৰা হয়। ধেমাজি জিলাতো আজি প্ৰশাসনৰ উদ্যোগত মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। শ্ৰীভূমি জিলা প্ৰশাসনৰ উদ্যোগতো জিলা আয়ুক্ত কাৰ্যালয়ত ছহিদ দিৱস পালন কৰা হয়। যোৰহাট জিলাতো আজি অসম আন্দোলনৰ ছহিদসকলক সুঁৱৰি ছহিদ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। এই কাৰ্যসূচীত মন্ত্ৰী নন্দিতা গাৰ্লোছা, বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী আদিয়ে অংশগ্ৰহণ কৰে। চৰাইদেউ জিলাৰ সোণাৰিৰ ভাগৱতী প্ৰসাদ বৰুৱা সোঁৱৰণী খেলপথাৰত অনুষ্ঠিত ছহিদ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী যোগেন মহনে মুখ্য অতিথি হিচাপে উপস্থিত থাকি ছহিদলৈ শ্ৰদ্ধা নিবেদন কৰে। শোণিতপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তেজপুৰৰ ঐতিহাসিক চাৰ্চ্চ ফিল্ডত আয়োজিত ছহিদ দিৱসৰ কাৰ্যসূচীত মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত ১০ হাজাৰ লোকে ছহিদ প্ৰণামো তোমাক গীতটি একেলগে গাই ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে।

০০০০০০০

শ্বহীদ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ডনাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি অসম আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰসকলক স্মৰণ কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দেশৰ ইতিহাসত অসম আন্দোলনৰ বিশেষ স্থান আছে। অসম আন্দোলনত অংশগ্ৰহণ কৰাসকলৰ সপোন পূৰ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ দোহাৰে। তেওঁ কয় যে ৰাজ্যখনৰ সৰ্বাত্মক উন্নয়ণ তথা সংস্কৃতি শক্তিশালী কৰি তোলাত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে।

ডনাৰ মন্ত্ৰী সিন্ধিয়াই সামাজিক মাধ্যমযোগে কয় যে ছহিদসকলে অসমৰ পৰিচয়, ভাষা আৰু সাংস্কৃতিক গৌৰৱ ৰক্ষা কৰাৰ বাবে দেখুৱাই থৈ যোৱা সাহসীকতা প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে সদায় অনুপ্ৰেৰণাৰ উৎস হৈ ৰব। মন্ত্ৰীগৰাকীয়ে লগতে ছহিদসকলৰ ত্যাগে অসমৰ জনসাধাৰণক এখন সমৃদ্ধিশালী আৰু সাংস্কৃতিকভাৱে প্ৰাণবন্ত অসম গঢ়ি তোলাৰ দিশত আগুৱাই লৈ যাব বুলি আশা প্ৰকাশ কৰে।

0000000

প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ উদ্যোগত আজি ডিব্ৰুগড়ৰ মোহনবাৰী বায়ুসেনা ঘাটিত বিজয় দিৱস পালন কৰা হৈছে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এয়াৰ শ্ব¯ প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত বায়ু সেনা বাহিনীৰ মুৰববী এয়াৰ ছীফ মাৰ্ছেল অমৰপ্ৰীত সিং উপস্থিত থাকে। ১৯৭১ চনৰ যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ৰ চিনস্বৰূপে বায়ু সেনা বাহিনীৰ ইষ্টাৰ্ণ কমাণ্ডাৰ মুখ্য কাৰ্যালয়ে আয়োজন কৰা এই দিৱসৰ অনুষ্ঠানত প্ৰাক্তন সৈনিক, স্কুলীয়া শিক্ষাৰ্থী আৰু ভালেসংখ্যক অসামৰিক লোকে অংশগ্ৰহণ কৰে।

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত ডিব্ৰুগড়ৰ ফুলবাগানৰ পুৰণি চৰকাৰী উচ্চ মাধ্যমিক বালক বিদ্যালয় খেলপথাৰত চৰকাৰী আৰু প্ৰাদেশিকৃত বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত চাইকেল বিতৰণ কৰিব। এই আঁচনিৰ দ্বাৰা ৩ লাখ ১০ হাজাৰৰো অধিক শিক্ষাৰ্থী লাভান্বিত হ'ব। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে কেইবাগৰাকীও মন্ত্ৰী বিধায়ক উপস্থিত থাকিব।

0000000

নাগালেণ্ডৰ কিছামাগাঁৱত অনুষ্ঠিত ঐতিহাসিক হৰ্ণবিল মহোৎসৱৰ আজি সামৰণি পৰিব। ইউনিটি প্লাজাত বিয়লি ৫ বজাৰ পৰা অনুষ্ঠিত সামৰণি অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ পৰ্যটন মন্ত্ৰী পাছাং দৰ্জী সোনা, ভাৰতত থকা মাল্টা গণৰাজ্যৰ উচ্চায়ুক্ত ৰিউবেন গৌচি আৰু আয়াৰলেণ্ডৰ উপ-ৰাষ্ট্ৰদূত ৰেমণ্ড মুল্লানে অংশগ্ৰহণ কৰে। আজি নিশাৰ ভাগত বছৰৰ শেষ উদযাপনৰ বাবে বিশেষ অনুষ্ঠান আৰু সংগীত, কলাৰ প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে যোৱা ১ ডিচেম্বৰৰ পৰা অনুষ্ঠিত এই মহোৎসৱত নাগালেণ্ডৰ সংস্কৃতি, ঐতিহ্য আৰু জীৱন ধাৰাৰ প্ৰতিফলন ঘটাৰ লগতে দেশ বিদেশৰ বিভিন্ন বিশিষ্ট শিল্পীয়ে অনুষ্ঠান পৰিবেশন কৰে।

0000000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি নিশা ৯ বাজি ১৫ মিনিটত কাছাৰ জিলা স্বাস্থ্য বিভাগৰ দ্বাৰা ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক শিৱানন্দ ৰয়ৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ পুনৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ কাছাৰ জিলাৰ সংবাদদাতা আঁখি ৰাণী দাসে।

0000000

**সমাপ্ত**